**M.A. Examination, 2018**
**Comparative Literature**
**Semester-IV**
**Course-CL/MA/Core 12**
**Language Course IV (Assamese)**

Time: Three Hours | Full Marks: 40

*Questions are of value as indicated in the margin.*

১। অসমীয়া সাহিত্যৰ আধুনিক যুগটো কেতিয়াৰপৰা আৰম্ভ হৈছে? আধুনিক অসমীয়া সাহিত্যিক কেইজনমানৰ নাম লিখা । আধুনিক অসমীয়া সাহিত্যত কি কি বিশেষত্ব দেখা পোৱা যায়? আলোচনা কৰা । ১+২+৫ = ৮

২। 'আত্মজীৱন চৰিত' নামৰ পাঠটোৰপৰা হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে কি কি ধাৰণা কৰিব পাৰিলা বৰ্ণনা কৰা । ৮

অথবা

লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'বাখৰ' নামৰ পাঠটিৰপৰা কি শিকিলা নিজৰ ভাষাৰে বৰ্ণনা কৰা ।

৩।'জীৱনৰ বাটত' উপন্যাসৰ লেখক কোন? উপন্যাসখনিৰ বিশেষত্বসমূহ আলোচনা কৰা। ৮

অথবা

আধুনিক অসমীয়া উপন্যাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা ।

৪।'হুদুমদেও' গল্পটিৰ লেখক কোন? গল্পটিত কেনেধৰণৰ বিশেষত্ব তোমাৰ চকুত পৰিছে আলোচনা কৰা । ৮

অথবা

আধুনিক অসমীয়া গল্পৰ লক্ষণ সম্পৰ্কে আলোচনা কৰা ।

৫। তলৰ কবিতাৰ অংশটি অনুবাদ কৰা । (বাংলা, ইংৰাজী অথবা হিন্দী ভাষালৈ) ৮

''এয়া নৈৰ পাৰ
সাউদৰ ডিঙা বেহা লৈ অবোধ কেতেকী হয়
এলাগী ৰাণীৰ চকুপানী সৰে
ডাইনী বুঢ়ীৰ হাতত কিমান ৰজাৰ পুতেক মৰে...

P.T.O.

এয়ে নৈৰ পাৰ
শামুকৰ খোলা ৰ'দত জিলিকি চকুত পিয়াহ লগায়
পানী ক'ত পানী?
ক'ত সেউজীয়া পাৰৰ ধাননি?
কাগজৰ পোকে খাই গ'ল নেকি কবিতাৰ সেই ৰং?
লুইত শুকান— লুইতত পানী নাই
পাটকুঁৱাবোৰ পাতালৰ বিহ অহা বাট
এটোপা পানী?
বিলৰ শুকান বোকাৰ মাজত
শুকান মাছৰ কাঁইটত লাগি ওলায় আমাৰ লুণীয়া তেজ''

অথবা

আধুনিক অসমীয়া কবিতাৰ বিশেষত্ব আৰু গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা ।

অথবা

'আহাৰ' নাটখনিৰ নাট্যকাৰ কোন? এইখন নাটক কিয় গুৰুত্বপূৰ্ণ? নাটকৰ কাহিনীটো চমুকৈ বৰ্ণনা কৰা ।

---